**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০০০

১।	মহান আধ্যাত্মিক নেতা, দাৰ্শনিক আৰু চিন্তানায়ক স্বামী বিবেকানন্দৰ স্মৃতিত আজি ৰাষ্ট্ৰীয় যুৱ দিৱস পালন কৰা হয়।

২।	যুৱ প্ৰজন্মৰ শক্তিয়ে ভাৰতক শীঘ্ৰে এখন বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশা প্ৰকাশ কৰিছে।

৩।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ জম্মু আৰু কাশ্মীৰৰ সোণামাৰ্গ  সুৰংগ প্ৰকল্প উদ্বোধন কৰিব।

৪।	আপৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালে ৰাজধানী দিল্লীত গুৰুত্বপূৰ্ণ বিষয়সমূহৰ পৰা মনোযোগ আঁতৰোৱাৰ চেষ্টা কৰা বুলি কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীয়ে অভিযোগ তুলিছে।

*আৰু*

৫।	ৰাজকোটত অনুষ্ঠিত দ্বিতীয়খন এদিনীয়া ক্ৰিকেট খেলত ভাৰতীয় মহিলা দলটোৱে আয়াৰলেণ্ডক ১১৬ ৰাণত পৰাস্ত কৰিছে।

০০০০০০০

মহান আধ্যাত্মিক নেতা, দাৰ্শনিক আৰু চিন্তানায়ক স্বামী বিবেকানন্দৰ স্মৃতিত আজি ৰাষ্ট্ৰীয় যুৱ দিৱস পালন কৰা হয়।  প্ৰতি বছৰে ১২ জানুৱাৰীৰ দিনটোত এই দিৱস পালন কৰি যুৱ প্ৰজন্মৰ মাজত গতিশীল নেতৃত্ব প্ৰদানৰ গুণৰাজিৰ বিকাশৰ প্ৰয়াস কৰা হয়। উল্লেখযোগ্য, যে স্বামী বিবেকানন্দৰ প্ৰেৰণাদায়ক জীৱন আৰু শক্তিশালী বাৰ্তাসমূহে যুৱক - যুৱতীসকলক নিজৰ সপোন বাস্তৱায়িত কৰাত উৎসাহ যোগাই আহিছে। স্বামী বিবেকানন্দৰ জয়ন্তী উপলক্ষে ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে যুৱ প্ৰজন্মৰ প্ৰেৰণাৰ উৎস স্বামী বিবেকানন্দই যুৱক-যুৱতীসকলক জীৱনৰ উদ্দেশ্য আৰু পেচাক উজ্জীৱিত কৰি আহিছে। তেওঁ কয়, যে স্বামী বিবেকানন্দৰ উন্নত তথা শক্তিশালী ভাৰত গঢ়াৰ লক্ষ্যক বাস্তৱায়িত কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০০০

যুৱ প্ৰজন্মৰ শক্তিয়ে ভাৰতক শীঘ্ৰে এখন বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশা প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে নতুন দিল্লীৰ ভাৰত মণ্ডপমত আয়োজিত বিকশিত

ভাৰত যুৱ নেতা আলোচনাত অংশ লৈ প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতৰ যুৱ শক্তিয়ে উল্লেখনীয় ৰূপান্তৰ সাধন কৰিছে। তেওঁ কয়, যে নতুন প্ৰজন্মৰ ওপৰত তেওঁৰ গভীৰ আস্থা আছে আৰু যুৱ প্ৰজন্মই সকলো সমস্যাৰ সমাধান উলিয়াবলৈ সমৰ্থ হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে প্ৰতিজন নাগৰিকৰ সক্ৰিয় অংশগ্ৰহণ আৰু ঐক্যবদ্ধ প্ৰচেষ্টাৰ দ্বাৰা অভিলাষী লক্ষ্যত উপনীত হোৱাটো সম্ভৱপৰ হৈ উঠিব। তেওঁ কয়, যে ভাৰতে বিভিন্ন ক্ষেত্ৰত নিৰ্ধাৰিত সময়তকৈ পূৰ্বেই লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে কয়, যে ভাৰত এখন বিকশিত ৰাষ্ট্ৰ হিচাপে পৰিগণিত হ'বলৈ আৰ্থিক, কৌশলগত, সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত সৰলীকৰণ নিশ্চিত কৰিব লাগিব। বিগত দশকটোত ২৫ কোটি লোক দৰিদ্ৰতাৰ কৱলৰ পৰা মুক্ত হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে ভাৰত ৫ লাখ কোটি ডলাৰ অৰ্থনীতি হিচাপে বিকশিত হোৱাৰ দিশত দ্ৰুত গতিত অগ্ৰসৰ হৈছে। তেওঁ ভাৰতীয় অৰ্থনীতিয়ে পৰৱৰ্তী দশকত ১০ লাখ কোটিক অতিক্ৰম কৰিব বুলি আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে আজি সমগ্ৰ দেশে স্বামী বিবেকানন্দক স্মৰণ কৰিছে। স্বামী বিবেকানন্দই দেশৰ যুৱ প্ৰজন্মৰ ওপৰত গভীৰ আস্থা ৰাখিছিল বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে ভাৰতৰ যুৱক-যুৱতীসকলে নিশ্চিতভাৱে এই আস্থাক প্ৰতিপন্ন কৰিবলৈ সমৰ্থ হ'ব। তেওঁ কয়, যে বিশ্বই চন্দ্ৰযানৰ সফলতা প্ৰত্যক্ষ কৰিছে আৰু সম্প্ৰতি দেশখনে গগণ যানৰ বাবে প্ৰস্তুতি চলাই আছে। ২০৩৫ চনৰ পূৰ্বে ভাৰতে মহাকাশত নিজা কেন্দ্ৰ স্থাপন কৰিবলৈ সমৰ্থ হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয়, যে এই দশকৰ শেষৰ ফালে ভাৰতে ৫০০ গিগাৱাট বিদ্যুৎ উৎপাদনৰ লক্ষ্য স্থিৰ কৰিছে। উল্লেখযোগ্য, যে বিকশিত ভাৰত যুৱ নেতা আলোচনাৰ এই তিনিদিনীয়া কাৰ্য্যসূচী যোৱা শুকুৰবাৰে আৰম্ভ হয়। এই অনুষ্ঠানে বিকশিত ভাৰত গঢ়াৰ বাবে উদ্ভাৱনীমূলক সমাধান উলিয়াবলৈ যুৱ প্ৰজন্মক এখন অভিনৱ মঞ্চ প্ৰদান কৰিছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। এই কাৰ্য্যসূচীত ভাগ লোৱাৰ সময়তে প্ৰধানমন্ত্ৰীয়ে দেশৰ বিভিন্ন প্ৰান্তৰ ৩ হাজাৰ গৰাকী সুদক্ষ যুৱ নেতাৰ সৈতে মত বিনিময় কৰে। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানত ১০ টা বিষয়ত লিখা শ্ৰেষ্ঠ বিবেচিত ৰচনাৰ এখন সংকলনো উন্মোচন কৰে। প্ৰযুক্তি, বহন ক্ষমতা, মহিলা সৱলীকৰণ, কৃষিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত এই ৰচনাসমূহ লিখা হৈছিল। উল্লেখযোগ্য, যে বিকশিত ভাৰত যুৱ নেতা আলোচনাই যুৱ প্ৰজন্মৰ নেতাসকলক নীতি প্ৰণেতা আৰু ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ আগশাৰীৰ ব্যক্তিসকলৰ সৈতে পোনপটীয়াভাৱে সংযুক্ত হোৱাৰ লগতে দেশৰ ভৱিষ্যৎ গঢ় দিয়াৰ ক্ষেত্ৰত নিজৰ মতামত প্ৰকাশৰ দ্বাৰা অৰিহণা যোগোৱাৰ সুযোগ দিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ জম্মু আৰু কাশ্মীৰৰ সোণামাৰ্গ সুৰংগ প্ৰকল্প উদ্বোধন কৰিব। এই সুৰংগটোৱে শ্ৰীনগৰ, সোণামাৰ্গ আৰু লেহৰ মাজত সকলো বতৰতে সুচল যাতায়াত স্থাপন কৰাত সহায় কৰিব। এই ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে নিৰ্মাণকাৰ্য্যত জড়িত শ্ৰমিকসকলক সাক্ষাৎ কৰি এই কাম সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ অৱদানক স্বীকৃতি জনাব। দুহেজাৰ ৭০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে ১২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই সোণামাৰ্গ সুৰংগ প্ৰকল্প নিৰ্মাণ কৰা হৈছে। এই প্ৰকল্পটোৱে সোণামাৰ্গৰ মূল সুৰংগ, সুৰংগৰ প্ৰস্থান পথ আৰু সুৰংগলৈ যাবলগীয়া পথসমূহো সামৰি লৈছে। এই সুৰংগ প্ৰকল্পই লাডাখ অভিমুখী দুৰ্গম পথ ভূমিস্খলন আৰু তুষাৰপাতৰ সমস্যাৰ সন্মুখীন নোহোৱাকৈ সুৰক্ষিতভাৱে অতিক্ৰম কৰাত সহায় কৰিব। ইয়াৰ ফলত সোণামাৰ্গ গোটেই বছৰটো পৰ্য্যটকৰ বাবে আকৰ্ষণীয় স্থান হৈ থাকিব আৰু শীতকালীন পৰ্য্যটন, দুঃসাহসিক ক্ৰীড়া আদিৰ উন্নীতকৰণৰ ফলত স্থানীয় লোকসকলৰ জীৱিকাৰ ক্ষেত্ৰতো

সহায় হ'ব। এই সুৰংগই বাহনসমূহৰ গতিবেগ প্ৰতিঘণ্টাত ৩০ কিলোমিটাৰৰ পৰা ৭০ কিলোমিটাৰলৈ বৃদ্ধি কৰাৰ ফলত শ্ৰীনগৰ উপত্যকা আৰু লাডাখৰ মাজত সুচল যোগাযোগ নিশ্চিত হ'ব। উন্নত যোগাযোগ ব্যৱস্থাই প্ৰতিৰক্ষা বাহিনীৰ বাবে ৰচদ-পাতি যোগান সুচল কৰাৰ উপৰি অৰ্থনৈতিক বিকাশ আৰু জম্মু-কাশ্মীৰ আৰু লাডাখত আৰ্থ-সামাজিক ক্ষেত্ৰত সম্প্ৰীতিও বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালে ৰাজধানী দিল্লীত অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়সমূহৰ পৰা মনোযোগ আঁতৰাবলৈ চেষ্টা কৰিছে বুলি জ্যেষ্ঠ বিজেপি নেতা আৰু কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীয়ে মন্তব্য কৰিছে। নতুন দিল্লীত এখন সংবাদমেলত শ্ৰীপুৰীয়ে কয়, যে বিগত বিধানসভা নিৰ্বাচনত শ্ৰীকেজৰিৱালে বায়ু প্ৰদূষণ হ্ৰাস কৰা, যমুনা নৈ পৰিষ্কাৰকৰণ, সকলোৰে বাবে স্বাস্থ্য সেৱা আৰু মহানগৰীখনত ৫০০ খন নতুন চৰকাৰী বিদ্যালয় স্থাপনকে ধৰি ১০ টা গেৰাণ্টি প্ৰদান কৰিছে। শ্ৰীপুৰীয়ে তেওঁলোকে আনকি ১০০ খন বিদ্যালয় স্থাপন কৰিবলৈও সমৰ্থ নহ'ল বুলি অভিযোগ তোলে। তেওঁ লগতে কয়, যে নিৰ্ধাৰিত সীমাতকৈ যমুনা নৈৰ প্ৰদূষণ ৫০০ গুণ অধিক হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে দলটোৱে পঞ্জাৱৰ মহিলাসকলক প্ৰতি মাহে এহেজাৰ টকাকৈ দিয়াৰ প্ৰতিশ্ৰুতি দিছিল যদিও তেওঁলোকে সেই প্ৰতিশ্ৰুতি পূৰণ নকৰিলে। এই অভিযোগৰ প্ৰত্যুত্তৰত শ্ৰীকেজৰিৱালে দিল্লীৰ বস্তি অঞ্চলৰ বাসিন্দাসকলক বিজেপিয়ে প্ৰবঞ্চনা কৰিছে বুলি প্ৰতি অভিযোগ উত্থাপন কৰে। নতুন দিল্লীত সাংবাদিকৰ আগত তেওঁ কয়, যে দিল্লীত বিজেপি শাসনলৈ আহিলে সমগ্ৰ বস্তি এলেকা দলটোৱে নিঃচিহ্ন কৰি পেলাব। আপৰ আহ্বায়কগৰাকীয়ে লগতে কয়, যে দিল্লীত কমেও ৪ লাখ বস্তি অঞ্চলৰ বাসিন্দা আছে আৰু বিজেপিয়ে যোৱা ১১ বছৰত মাত্ৰ ৪ হাজাৰ ৭০০ টা বাসগৃহহে তেওঁলোকৰ বাবে নিৰ্মাণ কৰিছে।

০০০০০০০

আম আদমী পাৰ্টীৰ দুগৰাকী বিধায়ক বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ বাবে ভুৱা আধাৰ কাৰ্ড প্ৰস্তুত কৰা কাৰ্য্যত অভিযুক্ত বুলি জ্যেষ্ঠ বিজেপি নেত্ৰী স্মৃতি ইৰাণীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত এখন সংবাদমেলত তেওঁ কয়, যে দিল্লী আৰক্ষীয়ে এই বিধায়ক দুগৰাকীলৈ এই গোচৰ সংক্ৰান্তত জাননী জাৰি কৰিছে। বিজেপিৰ নেত্ৰীগৰাকীয়ে লগতে ৰাষ্ট্ৰীয় সুৰক্ষাজনিত এই বিষয়টো সন্দৰ্ভত আম আদমী পাৰ্টীৰ নেতাসকলে কিয় মৌনতা অৱলম্বন কৰিছে বুলি প্ৰশ্ন উত্থাপন কৰে। শ্ৰীমতী ইৰাণীয়ে দলটোৰ বিধায়কসকলে সুৰক্ষা প্ৰদানকাৰী সংস্থাসমূহক সহযোগিতা আগবঢ়োৱা নাই বুলিও অভিযোগ তোলে। এই সন্দৰ্ভত আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ প্ৰিয়ংকা কাটকাৰে বিজেপিয়ে দলৰ নেতা কেইগৰাকীৰ বিৰুদ্ধে ভুৱা গোচৰ ৰুজু কৰা বুলি অভিযোগ তোলে। তেওঁ কয়, যে বিজেপিয়ে সমাগত বিধানসভা নিৰ্বাচনত নিজৰ পৰাজয় নিশ্চিত বুলি অনুমান কৰি এনেধৰণৰ কৌশল অৱলম্বন কৰিছে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আমেৰিকাৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত ডোনাল্ড ট্ৰাম্পৰ শপতগ্ৰহণ অনুষ্ঠানত ভাৰত চৰকাৰক প্ৰতিনিধিত্ব কৰিব। অহা ২০ জানুৱাৰীত ডোনাল্ড ট্ৰাম্পে আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰিব। এই ভ্ৰমণকালত ড০ জয়শংকৰে ট্ৰাম্প প্ৰশাসনৰ প্ৰতিনিধি আৰু অনুষ্ঠানত অংশগ্ৰহণ কৰিবলগীয়া অন্যান্য বিশিষ্ট ব্যক্তিসকলৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০০০

ৰাজকোটত অনুষ্ঠিত দ্বিতীয়খন এদিনীয়া ক্রিকেট খেলত ভাৰতীয় মহিলা দলটোৱে আয়াৰলেণ্ডক ১১৬ ৰাণত পৰাস্ত কৰিছে। প্ৰথমে বেটিং কৰি ভাৰতে জয়ৰ বাবে নিৰ্ধাৰণ কৰি দিয়া ৩৭১ ৰাণৰ বৃহৎ লক্ষ্য অনুসৰণ কৰি আয়াৰলেণ্ডৰ দলটোৱে নিৰ্ধাৰিত ৫০ অভাৰত ৭ উইকেটৰ বিনিময়ত ২৫৪ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ দীপ্তি শৰ্মাই তিনিটা আৰু প্ৰিয়া মিশ্ৰই দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে টছত জিকি প্ৰথমে বেট ধৰি ভাৰতে নিজৰ ইনিংছত ৫ উইকেটৰ বিনিময়ত ৩৭০ ৰাণ সংগ্ৰহ কৰে। জেমাইমা ৰড্ৰিগজে ৯১ টা বলত  এদিনীয়া খেলত নিজৰ প্ৰথমটো শতক অৰ্জন কৰে। হৰলিন দেওলে ৮৯, অধিনায়ক স্মৃতি মান্ধানাই ৭৩ আৰু প্ৰতীকা ৰাৱলে ৬৭ ৰাণৰ বৰঙণি আগবঢ়ায়। আজিৰ জয়ৰ ফলত ভাৰতে তিনিখনীয়া শৃংখলাটোত ২-০ৰ ব্যৱধানত জয় নিশ্চিত কৰিছে। শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল ১৫ জানুৱাৰীত অনুষ্ঠিত হ'ব।

0000000

শীৰ্ষ বাছনিৰ টেনিছ তাৰকা আৰিণা চাবালেংকাই অষ্ট্ৰেলিয়ান অ'পেন টেনিছ প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। আজি মহিলাৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ খেলত বেলাৰুছৰ খেলুৱৈগৰাকীয়ে প্ৰাক্তন ইউ এছ্ অ'পেন বিজয়ী শ্লোৱান ষ্টিফেনছক ৬-৩, ৬-২ ছেটত পৰাস্ত কৰে। ইপিনে, পঞ্চম বাছনিৰ চীন দেশৰ খেলুৱৈ ছিনৱেন ঝাও, একাদশ বাছনিৰ স্পেইন দেশৰ খেলুৱৈ পওলা বদোচা আৰু চতুৰ্দশ বাছনিৰ ৰাছিয়াৰ মীৰা আণ্ড্ৰিৱায়ো নিজ নিজ খেলত বিজয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

পুৰুষৰ একক শাখাত অলিম্পিক চেম্পিয়ন চীনৰ ঝাও ছিনৱেন, ষষ্ঠ বাছনিৰ নৰৱেৰ খেলুৱৈ কেচপাৰ ৰুড আৰু জাপানৰ কেই নিছিকোৰিয়ে দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। ভাৰতৰ সুমিত নাগাল আজি অনুষ্ঠিত প্ৰথম ৰাউণ্ডৰ খেলত পৰাস্ত হৈছে।

0000000

সমাপ্ত